# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 05-09-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰসিদ্ধ শিক্ষাবিদ, দাৰ্শনিক তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্ম বাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি সমগ্ৰ দেশতে  শিক্ষক দিৱস উদযাপন কৰা হয়।

তেজপুৰ বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত শিক্ষক দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৰাজ্যৰ ১৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক কৃতী শিক্ষক বঁটাৰে সন্মানিত কৰে। এই অনুষ্ঠানতে ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যায়ন পৰিষদ, NAAC-ৰ মূল্যায়ণত এ-গ্ৰেড লাভ কৰা ছখন মহাবিদ্যালয়ৰ অধ্যক্ষসকলক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে এইবাৰ পাণ্ডু মহাবিদ্যালয়, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, মঙলদৈ মহাবিদ্যালয়, মৰিগাওঁ মহাবিদ্যালয়, গড়গাওঁ মহাবিদ্যালয় আৰু দিশপুৰ মহাবিদ্যালয়ে NAAC-ৰ এ-গ্ৰেড লাভ কৰিছে। শিক্ষামন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানতে সহযোগী এন চি চি বিষয়া হিচাপে নিষ্ঠাৰে সেৱা আগবঢ়োৱা ৪ গৰাকী সহযোগী অধ্যাপক-অধ্যাপিকাক সম্বৰ্ধনা জ্ঞাপন কৰে। গৱেষণাৰ জৰিয়তে নিজস্ব আৱিষ্কাৰ বা উদ্ভাৱনৰ বাবে পেটেণ্ট লাভ কৰা ৰাজ্যৰ কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানৰ অধ্যাপকসকলকো আজি সম্বৰ্ধনা জনোৱা হয়। তদুপৰি মৌলিক গৱেষণাৰে পেটেণ্ট লাভ কৰিবলৈ সক্ষম হোৱা ৪ খন মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলকো সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত শিক্ষা সেতু এপত সৰ্বাধিক উপস্থিতি দিবলৈ সক্ষম হোৱা শীৰ্ষ তিনিখন জিলা ধেমাজী, শিৱসাগৰ আৰু মাজুলিৰ লগতে বিভিন্ন জিলাৰ উপস্থিতিৰ শীৰ্ষত থকা বিদ্যালয়সমূহৰ মুৰববীসকলক সম্বৰ্ধনা জনোৱা হয়।

ইপিনে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাসমূহ প্ৰদান কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ ৯ গৰাকী শিক্ষককে ধৰি দেশৰ মুঠ ৬৬ গৰাকী শিক্ষকক ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাৰে সন্মানিত কৰা হয়। ডিব্ৰুগড়ৰ নামচাং চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ শিক্ষক দেৱজিৎ ঘোষে ৰাষ্ট্ৰপতিৰ পৰা এই সন্মানীয় বঁটা গ্ৰহণ কৰে।

ooooo

বিটিচি নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। নিৰ্বাচনৰ বাবে ৪০ টা সমষ্টিৰ বাবে ৩৮২ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হোৱাৰ বিপৰীতে দুজনৰ মনোনয়ন পত্ৰ নাকচ কৰা হৈছে। বাক্সা জিলাৰ মুঠ ৬৪গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ ঘোষণা কৰা হৈছে। কোকৰাঝাৰ জিলাত ১৩২ গৰাকী, তামুলপুৰ জিলাত ৫০গৰাকী আৰু ওদালগুৰি জিলাত মুঠ ৭৪গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ হিচাপে বিবেচিত হৈছে। চিৰাং জিলাত ৬৩গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছে। জিলাখনৰ এগৰাকী প্ৰাৰ্থীৰ মনোনয়ন নাকচ হৈছে।

ৰাজ্য চৰকাৰে বিটিচি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিটিচিৰ অন্তৰ্গত পাঁচখন জিলা- কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওডালগুৰি জিলাত অহা ২২ ছেপ্তেম্বৰৰ দিনটো নেগ'চিয়েবল ইনষ্টুমেণ্টচ এক্টৰ অধীনত বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে।

০০০০০

ৰাজ্য চৰকাৰৰ মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ৰণজিৎ কুমাৰ দাসে আজি পাঠশালাত এটা অনুষ্ঠানত অংশ গ্ৰহণ কৰাৰ পিছতে সংবাদ মাধ্যমৰ আগত কয় যে বিটিআৰ নিৰ্বাচনত বিজেপিয়ে ১৫ ৰ পৰা ১৮ খন আসন লাভ কৰিব। তেওঁ কয়, যে বিটিআৰত পৰিষদীয় চৰকাৰ গঠন কৰিবলৈ হ'লে বিজেপিৰ প্ৰয়োজন হ'বই। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে পূৰ্বেও বিটিআৰত যি চৰকাৰ হৈছিল সেয়া বিজেপিৰ সহযোগতহে হৈছিল। বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে, কাৰ লগত মিত্ৰতা হ'ব সেই কথা কোৱাৰ পৰা বিৰত থাকি মাথো কয় যে, এইবাৰো ভাৰতীয় জনতা পাৰ্টী বিটিআৰ চৰকাৰৰ অংশীদাৰ হোৱাটো নিশ্চিত।

০০০০০

জি এছ টি পৰিষদে অহা ২২ ছেপ্তেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ সামগ্ৰী আৰু সেৱা কৰ বৰ্তমানৰ ৪ টা স্তৰৰ পৰা ২ টালৈ হ্ৰাস কৰাৰ সিদ্ধান্তক সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে আদৰণি জনাইছে। এই সিদ্ধান্তৰ ফলত দেশৰ বজাৰৰ ১৭৫ বিধ সামগ্ৰীৰ ওপৰত থকা কৰৰ পৰিমাণ হ্ৰাস পাব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ৭ ছেপ্তেম্বৰৰ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত জি এছ টি হ্ৰাস সম্পৰ্কে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মতামত প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

উপৰাষ্ট্ৰপতি নিৰ্বাচনৰ বিৰোধী মিত্ৰজোটৰ প্ৰাৰ্থী অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীয়ে আজি গুৱাহাটীত উপস্থিত হয়। প্ৰাৰ্থীগৰাকী গুৱাহাটী বিমান বন্দৰত উপস্থিত হোৱাৰ সময়ত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ বিৰোধী সাংসদসকলে আদৰণি জনায়। ইয়াৰ পাছতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে সংবাদ মাধ্যমৰ আগত কয় যে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সাংসদসকলে গণতান্ত্ৰিক প্ৰমূল্যক শক্তিশালী কৰিবৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীক সমৰ্থন জনোৱাৰ বাবে তেখেত গৌৰৱান্বিত হৈছে। উপৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰাৰ্থীগৰাকীয়ে দেশৰ সকলো ৰাজ্য ভ্ৰমণ কৰি আজি অন্তিম দিনা উত্তৰ-পূৰ্বাঞ্চলৰ সাংসদকেইজনৰ লগত বাৰ্তালাপ কৰি সমৰ্থনৰ প্ৰস্তাৱ আগবঢ়ায়।

০০০০০

ত্ৰিপুৰাৰ আগৰতলাত চলি থকা য়'নেক্স উত্তৰ-পূৰ মণ্ডল আন্তঃৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতাত অসমৰ পুৰুষ আৰু মহিলা উভয় দলে ছেম্পিয়নৰ খিতাপ অৰ্জন কৰে। বৃহস্পতিবাৰৰ পৰা আৰম্ভ হোৱা প্ৰতিযোগিতাখনৰ আজি অনুষ্ঠিত পুৰুষৰ দলীয় ফাইনেলত অসমে-মণিপুৰক ৩-১ ৰ ব্যৱধানত পৰাস্ত কৰে। ইপিনে, মহিলাৰ দলীয় শাখাৰ ফাইনেলতো অসমে তীব্ৰ প্ৰতিদ্বন্দিতাৰ অন্তত মণিপুৰক ৩-২ ৰ ব্যৱধানত পৰাস্ত কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ